জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৯৩/২০২১

# মৰাণ আৰু চুতীয়া জনগোষ্ঠীৰ প্ৰতিনিধিসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে মৰাণ জনগোষ্ঠীৰ বিভিন্ন সামাজিক-সাংস্কৃতিক তথা ছাত্ৰ সংগঠন ক্ৰমে অসম মৰাণ সভা, মৰাণ সাহিত্য সভা, মৰাণ কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ, সদৌ মৰাণ ছাত্ৰ সন্থা, সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ আৰু মৰাণ মহিলা সভাৰ প্ৰতিনিধিসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত মৰাণ জনগোষ্ঠীৰ দীৰ্ঘ দিনীয়া সমস্যাসমূহ আলোচনা কৰি ইয়াৰ সমাধানৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন দিশসমূহ আলোচনা কৰা হয়।

ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়কদ্বয় বলিন চেতিয়া আৰু সুৰেন ফুকনৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মৰাণ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শিক্ষানুষ্ঠানসমূহত অন্যান্য পিছপৰা জনগোষ্ঠীৰ বাবে সংৰক্ষিত আসনৰ অন্তৰ্গত জনগোষ্ঠীটোৰ বাবে আসন সংৰক্ষণৰ বিষয়টো চূড়ান্ত কৰিবলৈ এখন সমিতি গঠন কৰা হ'ব। এই সমিতিয়ে শীঘ্ৰে মৰাণ জনগোষ্ঠীৰ প্ৰতিনিধিসকলৰ সৈতে আলোচনাত মিলিত হৈ ৰাজ্য চৰকাৰক প্ৰতিবেদন দাখিল কৰিব।

মুখ্যমন্ত্ৰীয়ে কয় যে এই জনগোষ্ঠীটোৰ সকলো ভূমি সংক্ৰান্তীয় সমস্যা ক্ষিপ্ৰতাৰে আৰু বাধা বিহীন ভাৱে মিশ্যন বসুন্ধৰাৰ অধীনত মীমাংসা কৰা হ'ব। বৈঠকত মৰাণ জনগোষ্ঠীক অনুসূচীত জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ বিষয়টোৰ সন্দৰ্ভতো আলোচনা কৰা হয়।

মুখ্যমন্ত্ৰীয়ে কয় যে মৰাণ স্বায়ত্ত শাসিত পৰিষদক শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। এই জনগোষ্ঠীটোৰ সামগ্ৰিক উন্নয়নৰ বাবে মৰাণ জনগোষ্ঠীৰ প্ৰতিনিধিসকলক এখন বাৰ্ষিক কৰ্ম আঁচনি প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিখন মৰাণ স্বায়ত্ত শাসিত পৰিষদে ৰূপায়ণ কৰিব আৰু সেই উদ্দেশ্যে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পুঁজি যোগান ধৰিব।

আজিৰ এই বৈঠকত শিক্ষা, কৃষি, নিয়োগ, ঐতিহাসিক স্থান সমূহ সংৰক্ষণ ইত্যাদি বিষয়সমূহো আলোচনা কৰা হয়।

আনহাতে চুতীয়া জনগোষ্ঠীৰ বিভিন্ন সংগঠন চুতীয়া জাতীয় সন্মিলন, সদৌ চুতীয়া ছাত্ৰ সন্থা, চুতীয়া যুৱ সন্মিলন আৰু চুতীয়া মহিলা সন্মিলনৰ সৈতেও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আন এক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত চুতীয়া জনগোষ্ঠীৰ সৰ্বাংগীন বিকাশৰ সৈতে জড়িত বিভিন্ন বিষয় আলোচনা কৰা হয়।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

চুতীয়া জনগোষ্ঠীৰ জনজাতিকৰণ, জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে বৰ্দ্ধিত পুঁজিৰ আবণ্টন, বীৰাঙ্গনা সতী সাধনী বিশ্ববিদ্যালয় ক্ষিপ্ৰতাৰে গঢ়ি তোলা, জনগোষ্ঠীটোৰ ঐতিহাসিক স্থানসমূহৰ সংৰক্ষণকে ধৰি আন বহু গুৰুত্বপূৰ্ণ বিষয় বৈঠকত আলোচনা কৰা হয়। জনগোষ্ঠীটোৰ প্ৰতিনিধিসকলে নিজস্ব দাবী সম্বলিত স্মাৰক পত্ৰও মুখ্যমন্ত্ৰীক প্ৰদান কৰে।

জনগোষ্ঠীটোৰ জনজাতিকৰণ, শিক্ষানুষ্ঠানত চুতীয়া জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আসন সংৰক্ষণ, উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণৰ বাবে পুঁজিৰ আবণ্টন, ভূমি সমস্যাৰ নিৰাময়কৰণকে ধৰি জনগোষ্ঠীটোৰ সৰ্বাংগীন বিকাশৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধিসকলক অৱগত কৰে। জনগোষ্ঠীটোৰ বিভিন্ন উন্নয়নমূলক কাম-কাজকে ধৰি কৃষ্টি, ঐতিহ্য আদিৰ সংৰক্ষণত সহায়ক হোৱাকৈ এখন বাৰ্ষিক কৰ্ম আঁচনি প্ৰস্তুত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধিসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে জনগোষ্ঠীটোৰ দাবীসমূহ সমাধানৰ বাবে ৰাজ্য চৰকাৰে ইতিবাচকভাৱে পদক্ষেপ গ্ৰহণ কৰি যাব।

এই বৈঠকত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**২৫-০৯-২০২১**